**3 (Sem–2) ASM M 1**

**2015**

ASSAMESE

( Major )

Paper : 2.1

**( Asamiya Sahityar Buranji )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) 'উদ্ধৱযান' নাটখনৰ ৰচক কোন?

(খ) 'ঘোষাৰত্ন' কাৰ ৰচনা?

(গ) 'পদগীতা' কোনে ৰচনা কৰে?

(ঘ) 'পুতলা চৰিত্ৰ' নামৰ পুথিখনৰ ৰচক কোন?

(ঙ) 'ব্ৰহ্মগীতা' কোনে ৰচনা কৰে?

(চ) 'ৰামায়ণ চন্দ্ৰিকা'ৰ কবি কোন?

(ছ) 'ন-ঘোষা' কাৰ ৰচনা?

(জ) 'গুৰুলীলা' চৰিতখন কাৰ জীৱনক লৈ ৰচিত?

(ঝ) 'ল'ৰাবোধ' পুথিখন কোনে ৰচনা কৰে?

(ঞ) 'যোচেফৰ কাহিনী' পুথিখনৰ ৰচক কোন?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ভট্টদেৱৰ গুৰু কোন? তেওঁ ৰচনা কৰা দুখন সংস্কৃত পুথি উল্লেখ কৰা।

(খ) দৈত্যাৰি ঠাকুৰৰ পিতৃৰ নাম কি? তেওঁ ৰচনা কৰা নাট দুখন উল্লেখ কৰা।

(গ) 'ভাস্বতী' গ্ৰন্থখনৰ ৰচক কোন? এইখন কি বিষয়ৰ গ্ৰন্থ?

(ঘ) হেমচন্দ্ৰ বৰুৱাই কোনখন কাকত সম্পাদনা কৰিছিল? তেওঁৰ দুখন গ্ৰন্থৰ নাম উল্লেখ কৰা।

(ঙ) 'ভানুমতী' কাৰ উপন্যাস? তেওঁ ৰচনা কৰা দুখন নাটকৰ নাম লিখা।

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভট্টদেৱৰ গদ্যশৈলীৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) অসমীয়া ভাষা-সাহিত্যলৈ ডক্টৰ নাথান ব্ৰাউনৰ অৱদানৰ বিষয়ে আলোচনা কৰা।

(গ) ভোলানাথ দাসৰ কাব্যকৃতিৰ পৰিচয় দিয়া।

(ঘ) ৰমন্যাসবাদ কি? চমুকৈ আভাস দিয়া।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ ঐতিহাসিক নাটকৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(চ) যতীন্দ্ৰনাথ দুৱৰাৰ কাব্যকৃতি সম্বন্ধে এটি পৰিচয় দিয়া।



৪। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) উত্তৰ-শঙ্কৰী যুগত কোন কোন কবিয়ে 'মহাভাৰত' ভাঙিছিল উল্লেখ কৰি এটি আলোচনা আগবঢ়োৱা।

(খ) বুৰঞ্জী সাহিত্যক কেনেধৰণে শ্ৰেণীবিভাজন কৰিব পাৰি, উল্লেখ কৰি বুৰঞ্জীসমূহৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা।

(গ) 'অৰুণোদয় কাকতৰ অসমীয়া ভাষা-সাহিত্যলৈ অৱদান' শীৰ্ষক এটি আলোচনা যুগুত কৰা।

(ঘ) গুণাভিৰাম বৰুৱাৰ সাহিত্যকৃতি সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্প সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

(চ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(ছ) ৰঘুনাথ চৌধাৰীৰ কাব্য-প্ৰতিভা বিচাৰ কৰা।

☆ ☆ ☆